যিবোৰ মন্দিৰত শিৱক অকলে পূজা কৰা হয় তাত নিৰামিষ ভোগ আৰু যিবোৰ মন্দিৰত শিৱৰ লগতে শক্তিকো বা অৰ্ধনাৰীশ্বৰকো পূজা দিয়া হয় তাত সামিষ ভোগ চলে। উদাহৰণ স্বৰূপে, অসমৰ কেদাৰ, শিঙৰেশ্বৰ, বিশ্বেশ্বৰ আদি দেৱালয়ত সামিষ আৰু ভৈৰেশ্বৰ, বাণেশ্বৰ, ৰুদ্ৰেশ্বৰ আদি দেৱালয়ত নিৰামিষ ভোগ দিয়া হয়। উমানন্দত আকৌ শিৱৰাত্ৰিৰ দিনাহে সামিষ ভোগ চলে। আনহাতে শিৱচতুৰ্দশীৰ দিনা তিতি মুচৰি ছাগলী বলি দিয়া প্ৰথা (গুহ্যসূত্ৰত 'সংজ্ঞাশয়ন') আৰু শিৱমন্দিৰত নটীৰ নাচ-প্ৰথা মন কৰিব লগীয়া। বৰ্তমানে নানা কাৰণত নটীৰ নাচ-প্ৰথা উঠি গলেওএসময়ত কামৰূপৰ ডুবিৰ পৰিহৰেশ্বৰ-দেৱালয়, শোণিতপুৰ জিলাৰ বিশ্বনাথ-মন্দিৰ আৰু শিৱসাগৰৰ নেঘেৰীটিঙৰ শিৱদ'লৰ নটীৰ কথা সৰ্বজনবিদিত আছিল। নৱম শতিকাৰ কামৰূপৰ ৰজা বনমালে হাটক-শিৱৰ মন্দিৰত নটী ৰাখিছিল। আহোম ৰজা শিৱসিংহৰ (১৭১৪-৪৪) মহিষী ফুলেশ্বৰী নেঘেৰীটিং শিৱদ'লৰ নটীহে আছিল।

শৈৱধৰ্মৰ পিছত অসমত শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰাৱল্য হলেও শৈৱধৰ্ম নিশ্চিহ্ন নহ'ল; বৰং প্ৰাচীন আৰু আহোম ৰজা দিনীয়া শিৱ-মন্দিৰ আৰু আধুনিক যুগত স্থাপিত হোৱা শিৱ-থানবোৰে আজিও অসমৰ শৈৱ ধৰ্মৰ ঐতিহ্য আৰু গৌৰৱ ঘোষণা কৰি আছে।

প্ৰাচীন কালৰেপৰা কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ কাৰণে বিখ্যাত। শাক্ত-পীঠ কামাখ্যা ইয়াৰ কেন্দ্ৰস্থান বুলি পৰিগণিত হৈছে। 'কালিকা পুৰাণ'ৰ মতে ৰজা নৰকেই প্ৰথমে কামৰূপত, শক্তি-পূজাৰ প্ৰচলন কৰে ('কামাখ্যা-পূজয়নৰতো নীলকূটে মহাগিৰৌ' ॥৩৮.১৫৩)। 'কালিকা-পুৰাণ'ৰ বৰ্ণনা অনুসৰি ডক্টৰ বাণীকান্ত কাকতিয়ে দেৱীৰ চাৰিটা ৰূপ বুলি দেখুৱাইছে: মাতৃদেৱী-কামাখ্যা, পত্নী-ৰূপী পাৰ্বতী, কুমাৰী ত্ৰিপুৰা সুন্দৰী আৰু সংহাৰ- ৰূপিনী কেচাইখাঁতী তাম্ৰেশ্বৰী। ইয়াৰ উপৰি দেৱীৰ আন দহোটা ৰূপ বা দশমহাবিদ্যা



হ'ল-কালী,তাৰা, ষোড়শী, ভুবনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমাৱতী, বগলামুখী, মাতঙ্গী আৰু কমলা। কামৰূপৰ নৱম শতিকাৰ ৰজা বনমাল আৰু একাদশ শতিকাৰ ৰজা ইন্দ্ৰপালৰ তাম্ৰশাসনত 'কামেশ্বৰ-মহাগৌৰী' আৰু 'পাৰ্বতী'ৰ উল্লেখে সেই সময়ৰ অসমত শক্তি পূজাৰ প্ৰচলনৰ ইঙ্গিত দিয়ে। ষোড়শ শতিকাত ৰচিত 'যোগিনী-তন্ত্ৰ'য়ো অসমত প্ৰচলিত শাক্তধৰ্মৰেই বিজয় ঘোষণা কৰে। "অনন্ত বিৰলা দেৱী কামৰূপে গৃহে গৃহে-" 'কালিকা-পুৰাণ'ৰ এই শ্লোকটো 'যোগিনী-তন্ত্ৰ'ত (২.৬.১৫১) উল্লেখ থকাৰ পৰা অনুমান কৰিব পাৰি যে দশম-একাদশ শতিকাৰ দৰে ষোড়শ শতিকাতো অসমত দেৱী পূজাৰ বহুল প্ৰচলন আছিল। দৰং-ৰাজবংশাৱলীৰ পৰা জানিব পাৰি যে কোচৰজা নৰনাৰায়ণৰ ইচ্ছা অনুসৰি ভায়েক শুক্লধ্বজে তিনিদিনীয়া দুৰ্গাপূজাৰ বিপুল আয়োজন কৰিছিল আৰু শুক্লধ্বজৰ নাতি পৰীক্ষিত নাৰায়ণে নীলাচল পাহাৰত দুৰ্গা পূজা কৰিছিল। প্ৰাচীন শাক্তগ্ৰন্থৰ দৰে শক্তিৰ মূৰ্তি সমূহ আৰু মঠ-মন্দিৰেও অসমত শাক্তধৰ্মৰ ঐতিহ্য ঘোষণা কৰিছে। শিৱৰ দৰে শক্তিৰো অসংখ্য নাম আৰু সেই অনুসৰি মূৰ্তিও অসংখ্য পোৱা যায়। পাশ্চাত্য পণ্ডিত এলিয়টে 'হিন্দুইজম আৰু বুদ্ধিজিম' গ্ৰন্থত এই সম্পৰ্কে যথাৰ্থ মন্তব্য দিছে যে শক্তি হ'ল 'বহু নাম আৰু ৰূপ বিশিষ্টা এজনা দেৱী'। শক্তিৰ মূৰ্তিবোৰৰ ভিতৰত নগাঁওৰ ভোই পৰ্বতত প্ৰাপ্ত নৱম শতিকাৰ সিংহবাহিনী দুৰ্গা, নভঙ্গাৰ একাদশ-দ্বাদশ শতিকাৰ ষড়ভুজা চামুণ্ডামূৰ্তি, কামাখ্যা পৰ্বতত থকা চতুৰ্ভুজা চামুণ্ডাৰ মূৰ্তি, পাণ্ডুৰ শিলত খোদিত দুৰ্গা মূৰ্তি, গোৱালপাৰাৰ শ্ৰীসূৰ্য্য পাহাৰত থকা দ্বাদশভুজা দুৰ্গা মূৰ্তি আদিয়ে অসমৰ শক্তিপূজাৰ প্ৰাচীনত্বৰ প্ৰমাণ দিয়ে। শৈৱধৰ্মৰ দৰে শাক্ত ধৰ্ময়ো অসমত এনেকৈ প্ৰভাৱ বিস্তাৰ কৰিছিল যে, শঙ্কৰদেৱৰ প্ৰচলিত নৱ-বৈষ্ণৱ ধৰ্মৰ ধলেও ইয়াক উটাই নিব নোৱাৰিলে। অৱশ্যে এইটো ঠিক যে, সময়ৰ লগে লগে শক্তিপূজাৰ ৰীতি-